NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 7-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মস্কোলৈ যাব।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰাক বাজেট আলোচনা সম্পূৰ্ণ কৰিছে।

৩। ওড়িশাৰ পুৰী চহৰত আজি বিয়লি ভগৱান জগন্নাথ, বলভদ্ৰ, সুভদ্ৰা দেৱী আৰু ভগৱান সুদৰ্শনৰ বিশ্ববিখ্যাত ৰথযাত্ৰা আৰম্ভ হৈছে।

৪। উচ্চতম ন্যায়ালয়ে কাইলৈ নীট ইউজি সন্দৰ্ভত কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব।

*আৰু*

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেলত আজি ভাৰতে জিম্বাব'ৱেৰ সন্মুখত ২৩৫ ৰানৰ লক্ষ্য বান্ধি দিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে শ্ৰীমোদী মস্কোলৈ যাব। নেতা দুয়োগৰাকীয়ে দুয়োখন দেশৰ মাজৰ বহুপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত সাম্প্ৰতিক আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ লৈ মত বিনিময় কৰিব। ৰাছিয়া ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদী মঙলবাৰে অষ্ট্ৰিয়াত উপস্থিত হ'ব। এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে মস্কো আৰু ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব।

আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ভাৰত আৰু ৰাছিয়াৰ মাজৰ ২২ সংখ্যক বাৰ্ষিক শীৰ্ষ সন্মিলনত সমগ্ৰ দ্বিপাক্ষিক বিষয় পৰ্যালোচনা কৰা হ'ব। এইসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে প্ৰতিৰক্ষা, বাণিজ্যিক যোগাযোগ, বিনিয়োগ মিত্ৰতা, শক্তি-সহযোগিতা, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা-সংস্কৃতি তথা জনসাধাৰণৰ মাজত পাৰস্পৰিক বিনিময়। তেওঁলোকে ব্ৰিকচ্, এছ চি অ', জি-২০, পূব এছিয়া শীৰ্ষ সন্মিলন আৰু ৰাষ্ট্ৰসংঘকে ধৰি দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন গোটৰ সাম্প্ৰতিক অৱস্থান সন্দৰ্ভত মত বিনিময় কৰিব।

অষ্ট্ৰিয়া ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডাৰ বেলেনক সাক্ষাৎ কৰাৰ লগতে ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰৰ সৈতেও আলোচনাত মিলিত হ'ব। শ্ৰীমোদী আৰু অষ্ট্ৰিয়াৰ চেঞ্চেলৰগৰাকীয়ে দুয়োখন দেশৰ ঔদ্যোগিক নেতাসকলকো সম্বোধন কৰিব।

oooooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰাক বাজেট আলোচনা সম্পূৰ্ণ কৰিছে। বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে বিত্তমন্ত্ৰীগৰাকীয়ে উদ্যোগ আৰু সামাজিক খণ্ডৰ প্ৰতিনিধিকে ধৰি বিভিন্ন অংশীদাৰৰ সৈতে আলোচনা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। যোৱা ১৯ জুনৰ পৰা ৫ জুলাইলৈকে বিত্ত মন্ত্ৰালয়ত এই সন্দৰ্ভত বৈঠকৰ আয়োজন কৰা হয়। বিত্ত মন্ত্ৰালয়ে আজি প্ৰকাশ কৰা এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ২০২৪-২৫ বৰ্ষৰ প্ৰাক বাজেট পৰামৰ্শ সম্পৰ্কীয় বৈঠকত ১০ টা বিভিন্ন ক্ষেত্ৰৰ অংশীদাৰ গোটৰ কমেও ১২০ গৰাকী আমন্ত্ৰিত ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ  ভিতৰত কৃষক সংঘ আৰু কৃষি অৰ্থনীতিবিদ, বাণিজ্য সংঘ, স্বাস্থ্য আৰু শিক্ষা খণ্ড, নিয়োগ আৰু দক্ষতা, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ,  বাণিজ্য আৰু সেৱা, অৰ্থনীতিবিদ, বিত্তীয় খণ্ড, মূলধনী বজাৰৰ লগতে আন্তঃগাঠনি, শক্তি আৰু নগৰীয়া খণ্ডৰ বিশেষজ্ঞ তথা প্ৰতিনিধিয়ে অংশ লয়। বিত্ত মন্ত্ৰালয়ৰ তথ্য অনুসৰি বিত্ত মন্ত্ৰী সীতাৰমনে  প্ৰাক বাজেট  আলোচনা সভাত অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। কেন্দ্ৰীয় বাজেট প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ পৰামৰ্শসমূহ বিবেচনা কৰা হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। উল্লেখযোগ্য যে অহা ২২ জুলাইত সংসদৰ বাজেট অধিবেশন আৰম্ভ হ'ব। ১২ আগষ্টত সামৰণি পৰিবলগীয়া অধিবেশনৰ ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সদনত দাখিল কৰিব। বিত্ত মন্ত্ৰী সীতাৰমনে লোকসভা নিৰ্বাচনৰ পূৰ্বে অন্তৰৰ্তী বাজেট উত্থাপন কৰে। এইবাৰৰ বাজেটে দেশৰ দ্ৰুত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব পৰাকৈ বিভিন্ন সুবিধা নিশ্চিত কৰাৰ লগতে অধিক নিয়োগৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে ভাৰতে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত পৰৱৰ্তী ৫ টা বছৰ নিৰ্ণায়ক হব বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় অৰ্থনীতিয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮ দশমিক ২ শতাংশ হাৰত বিকাশ লাভ কৰাৰ সময়ত এইবাৰৰ বাজেটে গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। সম্প্ৰতি বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিবেচিত ভাৰতৰ মুদ্ৰাস্ফীতি ৫ শতাংশতকৈ অধিক নিম্নগামী হৈছে।

oooooooo

ওড়িশাৰ পুৰী চহৰত আজি বিয়লি ভগৱান জগন্নাথ, বলভদ্ৰ, সুভদ্ৰা দেৱী আৰু ভগৱান সুদৰ্শনৰ বিশ্ববিখ্যাত ৰথযাত্ৰা আৰম্ভ হৈছে। তিনিখন ৰথেৰে হোৱা এই যাত্ৰা উপলক্ষে চৰহখনৰ গ্ৰেণ্ড ট্ৰাংক ৰোড সহস্ৰ ভক্তৰ সমাগমেৰে ভৰি পৰিছে। ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৱে এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা আগমন ঘটা ভক্তসকল এই ৰথযাত্ৰাত ভাগ লোৱাৰ উপৰি স্বচক্ষে ভগৱানৰ দৰ্শন লাভ কৰাৰ বাবে সমৱেত হৈছে। উল্লেখযোগ্য যে পৱিত্ৰ এই ত্ৰিমূৰ্তিয়ে ভগৱান গুণ্ডীচা দেৱীৰ মন্দিৰলৈ কৰা যাত্ৰা উপলক্ষে আয়োজিত এই উৎসৱৰ, ৮ দিন পাছত তেওঁলোকে প্ৰত্যাৱৰ্তনৰ কৰাৰ লগে লগে অন্ত পৰে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ঘণ্টা, কহলী আৰু টিলিঙা বজাই আয়োজন কৰা **দধি পহণ্ডি** শীৰ্ষক ৰাজকীয় ধৰ্মীয় অনুষ্ঠানৰ জৰিয়তে এই পৱিত্ৰ যাত্ৰা আৰম্ভ হয়। এই অনুষ্ঠানৰ পাছত পুৰী শংকৰাচায্য নিচলানন্দ স্বৰস্বতীয়ে ৰথসমূহত

বিৰাজমান দেৱতাসকলক পূজা-অৰ্চনা কৰে। পৰম্পৰা অনুসৰি সূৰ্য অস্ত হোৱাৰ পূৰ্বে ৰথযাত্ৰাই হ্ৰস্ব দূৰত্ব অতিক্ৰম কৰাৰ পাছত কাইলৈ পুনৰ আৰম্ভ হ'ব।

oooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে কালি ওদালগুৰি জিলাত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। ওদালগুৰি চহৰৰ বিষ্ণুৰাভা কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইপিনে, জোনাইৰ মুৰ্কংচেলেক উন্নয়ন খণ্ডৰ অধীনৰ মুৰ্কংচেলেক কৃষ্টিভৱন প্ৰেক্ষাগৃহতো কালি সম্পূৰ্ণতা অভিযান কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত অংকুৰ ভঁৰালী, নিটি আয়োগৰ জ্যেষ্ঠ পৰামৰ্শদাতা ড° ববিতা সিং, ধেমাজি আৰু চিলাপথাৰ পৌৰসভাৰ সভানেত্ৰী তথা জিলা প্ৰশাসন আৰু ব্লক পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooooo

উচ্চতম ন্যায়ালয়ে কাইলৈ নীট ইউজি সন্দৰ্ভত কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব। এইসমূহৰ ভিতৰত নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে জনোৱা আবেদনো অন্তৰ্ভুক্ত হৈ আছে। উচ্চতম ন্যায়ালয়ৰ ৱেবচাইটত প্ৰকাশ পোৱা অনুসৰি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় তথা ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰ পীঠে এই সন্দৰ্ভত ২৬ খন আবেদনৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, শিক্ষাৰ্থীসকলে দাখিল কৰা এই আবেদনত নীট পৰীক্ষাত অনিয়ম হোৱাৰ অভিযোগৰ প্ৰসংগৰে পৃথক তথা সুকীয়া অনুসন্ধানৰ বাবে দাবী জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত ইতিমধ্যে এখন শপতনামা দাখিল কৰিছে। চৰকাৰে প্ৰকাশ কৰিছে যে নীট ইউ জি ২০২৪ ব্যাপক হাৰত কোনো অনিয়ম হোৱাৰ প্ৰমাণ নথকাৰ পৰিপ্ৰেক্ষিতত এই পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ কোনো প্ৰয়োজন নাই। চৰকাৰে লগতে প্ৰকাশ কৰিছে যে, নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰিলে কেইবালাখ পৰীক্ষাৰ্থীৰ জীৱনত প্ৰতিকূল প্ৰভাৱ পৰিব।

oooooooo

কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা পীয়ুষ গোৱেলে আজি কয় যে, বিগত ১০ বছৰত কৰা কামৰ ফলাফল হিচাপে জনসাধাৰণে তৃতীয়টো কাৰ্যকালৰ বাবে এন ডি এ চৰকাৰৰ হৈ জনাদেশ দিছে। দিল্লী বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাৰ উদ্বোধনী সত্ৰত শ্ৰী গোৱেলে কয় যে, মোদী চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি দেশলৈ পৰিৱৰ্তন আনিছে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ তৃতীয়টো কাৰ্যকালত তিনি দফীয়া উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি শ্ৰী গোৱেলে অৱগত কৰে। কংগ্ৰেছক সমালোচনা কৰি শ্ৰী গোৱেলে কয় যে, শেহতীয়া নিৰ্বাচনত দেশৰ জনসাধাৰণে বিৰোধীক নাকচ কৰিছে। ইয়াৰ পূৰ্বে দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱাই কয় যে, ৰাষ্ট্ৰীয় ৰাজধানীৰ লোকসভাৰ সাতখন আসন লাভ কৰাৰ জৰিয়তে বিজেপিক ৰাইজে যি আশীৰ্বাদ প্ৰদান কৰিছে সেয়া অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে উত্থাপিত হোৱা দুৰ্নীতিৰ অভিযোগৰ প্ৰতিফলন। এই বৈঠকত বিজেপিৰ সাংসদ মনোজ তিৱাৰী, ৰামবীৰ সিং বিধুৰী প্ৰমুখ্যে দলৰ অন্যান্য নেতাসকল উপস্থিত থাকে।

oooooooo

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত **ৰাষ্ট্ৰীয় ডায়েৰীয়া প্ৰতিৰোধী অভিযান ২০২৪** সন্দৰ্ভত নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ Gastroenterology বিভাগৰ অধ্যাপক ডাঃ গোৱিন্দ কে. মাখাৰিয়া আৰু স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ৰ শিশু স্বাস্থ্য তথা ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ তত্বাৱধায়ক আৰু উপ-আয়ুক্ত ডাঃ চোভনা গুপ্তাৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **ডায়েৰিয়া প্ৰতিৰোধ, অনাময় তথা বিশুদ্ধ খোৱাপানীকে ধৰি ডায়েৰিয়া** সম্পৰ্কে তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হব।

০০০০০০০০

চত্তিশগড় নিৰাপত্তা বাহিনীয়ে চলোৱা এটা তালাচী অভিযানত সুকমা জিলাৰ পৰা পাঁচটা মাওবাদীক গ্ৰেপ্তাৰ কৰা হয়। নিৰাপত্তাৰক্ষীৰ দলটোৱে মাওবাদী কেইজনৰ পৰা দুটা বি জি এল চেল, ৯টা ডিটনেটৰ, এটা টিফিন বোমাৰ লগতে অন্যান্য সামগ্ৰী জব্দ কৰে।

০০০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ আজি দ্বিতীয়খন খেলত ভাৰতে জিম্বাব'ৱেক জয়ৰ বাবে ২৩৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত ২০ অভাৰত ২৩৪ ৰাণ সংগ্ৰহ কৰে। অভিষেক শৰ্মাই ৪৭টা বলত ১০০ ৰাণ কৰাৰ বিপৰীতে ঋতুৰাজ গাইকোৱাডে ৪৭টা বলত ৭৭ ৰাণ আৰু ৰিংকু সিঙে ২২টা বলত ৪৮ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

বাতৰি যুগুটোৱা পৰলৈকে জিম্বাব'ৱে ৯ অভাৰত ৪ টা উইকেট হেৰুৱাই ৬৯ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০০০০

সমাপ্ত